**ভিন্নস্বাদ**

## ব্লাউজৰ দৰ্জী

- আৰমান হাজৰিকা

এতিয়ালৈকে আমি যিমানবোৰ ঠাইলৈ বদলি হৈছোঁ, সকলোতে অইনবোৰ অত্যন্ত জৰুৰী কথাৰ লগতে এটা তুলনামূলকভাৱে কম জৰুৰী কথায়ো প্ৰতিবাৰেই বিশেষ জৰুৰী কথা হিচাপে পৰিগণিত হৈ আহিছে। সেইটোৱেই হৈছে 'নতুন ঠাইখনত  পৰিবাৰৰ বাবে ভালকৈ ব্লাউজ চিলোৱা এজন দৰ্জীৰ সন্ধান কৰা'!

বিয়াৰ আগতে 'ব্লাউজ' বোলা বস্ত্ৰবিধ যে তিৰোতাৰ বাবে ইমান গুৰুত্বপূৰ্ণ, মই সমূলি নেজানিছিলোঁ। তথাপিও দেখি-শুনিয়ে এটা কথা বুজিছিলোঁ যে, এইটো বৰ সহজেই সিজিব পৰা বিষয় নহয়। বোধকৰো সকলো বিবাহিত পুৰুষৰেই ডেকা-ডঙুৰা বয়সত মোৰ দৰেই একেই অভিজ্ঞতা হয়।

তেতিয়া নিজে যিটো  বুজিছিলোঁ যে, দোকানত পুৰুষৰ চাৰ্ট পোৱাৰ দৰে মহিলাৰো ব্লাউজ পায়। কিন্তু ব্লাউজৰ জোখ-মাপবোৰৰো কোনো ধাৰণা নাছিল। মোৰ নিজৰ চাৰ্ট কিনিবলৈ হ'লে, এটাই কথা মই দোকানীক কৈ দিওঁ, "ডাবল এক্সেল (XXL),হাত চুটি, পিউৰ কটন (বিশুদ্ধ কপাহী)। দোকানীয়ে এজাপ চাৰ্ট আনি আগত 'ধুম'কৈ পেলাই দিয়ে। মই লগে লগে 'টাৰ্মিনেটৰ' নামৰ চিনেমাত 'আৰ্নল্ড স্বুৱেজগাৰ্ণাৰে' স্কেন কৰাদি গোটেই জাপটোকে থৰে থৰে স্কেন কৰি তাৰে এটা চাৰ্ট আঙুলিৰে চুই দিওঁ। দোকানীয়ে সেইটো টান মাৰি উলিয়াই দিয়ে। তথাপিও 'অতিপাত শিয়ান' গ্ৰাহকৰ দৰে, "মোলৈ টান হ'ব নেকি" বুলি দোকানীক খৰংখচকৈ এবাৰ জেৰা কৰোঁ। দোকানীয়েও যেন 'মোৰ গাৰ জোখটো' মোতকৈ তেওঁহে বেছি ভালকৈ জানে, তেনেকৈ একে আষাৰেই 'ন দি' মোক নিৰ্ভয় দিয়ে। তাৰপিছতো দোকানীক 'তামাকাঁহা' দেখুৱাই দিম যেনকৈ দৰদাম কৰিবলৈ আৰম্ভ কৰোঁ। দোকানীয়ে দাম 'এশ টকা' বুলি ক'লে, মই 'নব্বৈ টকাতকৈ এটকাও বেছি নিদিওঁ' বুলি আঁকোৰ-গোঁজকৈ কওঁ। দোকানীয়েও লগে লগে "আপোনাৰো এৰক, মোৰো এৰোঁ" বুলি কৈ পঞ্চানব্বৈ টকাত চাৰ্টতো বান্ধি দিয়ে। মই গোফৰ তলতে আত্মপ্ৰসাদৰ হাঁহি এটা মাৰি স্বগতোক্তি কৰোঁ, "হুঃ, মোক অকৰা ভাবিছিলে!"

পিছে, কেতিয়াবা দোকানত দেখোঁ, এটা ব্লাউজ কিনিবলৈ লৈ চাৰিজনীমান মহিলাই এজন দোকানীক সন্মুখৰ কাউন্টাৰতে ঠিয় কৰাই লৈ 'বাৰ বজাই' দিয়ে। ৰঙটো বাচোঁতে বাচোঁতেই দোকানীৰ অৱস্থা একলেখীয়া হৈ যায়। ওচৰে পাজৰেই এসোপা প্ৰায় একে ৰঙৰ ব্লাউজৰ দ'ম লাগি থাকেহি যদিও, মানুহ কিজনীক তাৰে কোনোবা দুটা ব্লাউজৰ মাজৰ ৰঙটোহে লাগে। ইফালে দোকানীৰ ওচৰত সেইটো ৰঙহে নেথাকে। তথাপিও বহুত পেৰা-পেৰি, বহুত বিচাৰ-বিশ্লেষণ, অনেক আত্মমন্থন, লগতে দোকানীয়ে সুযোগ সুবিধা  বুজি দিয়া 'কথাৰ আশ্বাস'ৰ পিছত, চাৰি গৰাকী গ্ৰাহকৰ তিনিগৰাকীয়ে মিলি মূল গ্ৰাহক গৰাকীক নিজৰববীয়াকৈ বুজনি দি পতিয়ন নিয়ায়। তাৰপিছতো কেতিয়াবা, "এহ্ বেলেগ এখনত চাওঁগৈ ব'ল" বুলি দোকানীৰ সমস্ত প্ৰচেষ্টাত চেঁচাপানী ঢালি, পঞ্চল্লিছ মিনিট মানৰ পিছত, আটাই কেইগৰাকীয়ে ৰিক্তহস্তে

দোকানৰ পৰা প্ৰস্থান কৰে। দোকানীযেও, "উহ ৰক্ষা" যেনকৈ ডিঙিৰ ঘাম ম'চে। তেতিয়াই বুজিছিলোঁ, 'ব্লাউজ নামৰ বস্ত্ৰবিধ বৰ উলামুলা কথা নহয়!'

বহুত দোকানত দেখোঁ, ব্লাউজৰ ৰঙটো মিলি যোৱাৰ পিছতো, দোকানীয়ে ব্লাউজৰ দাম কয় পঞ্চাছ টকা। মহিলা কেইগৰাকীয়ে দাম শুনিয়ে 'আৰ্তনাদৰ এক কোৰাচ'ৰ সৈতে নিজৰ ববীয়াকৈ দাম নিৰ্ণয় কৰে 'পঁচিশ টকা'। তাৰপিছত দোকানী আৰু গ্ৰাহকৰ মাজত আৰম্ভ হৈ যায় 'থাৰ্মপ'লিৰ গিৰিসঙ্কট যুদ্ধ আৰু মাৰাথানৰ যুদ্ধ' একেলগে! তেলসনা বাঁহত বান্দৰে দুফুট জঁপিয়াই এফুট খহে! এসময়ত দোকানীয়ে সংসাৰ ত্যাগী সন্যাসীৰ দৰে মুখভঙ্গী কৰি, হুমুনিয়াহেৰে সৈতে, "ঠিক আছে, বত্ৰিছ টকা আঠঅনাকে দিয়ক" বুলি সৈমান হয়। মহিলা কেইগৰাকীয়ে 'আঠঅনা'টো সাঁচনৰ পৰাহে গ'ল যেনকৈ দুখেৰে হ'লেও সৈমান হয়গৈ। সেইবোৰ দেখিশুনি তেতিয়াই নিজকে বুজনি দিয়াৰ দৰে নিজৰ কলিজাখনক আগন্তুক 'সংসাৰ আশ্ৰম'ৰ বাবে সাজু কৰি কৈছিলোঁ, "All is well"!

তেতিয়াৰ ব্লাউজবোৰত বিশেষ কাৰু-কাৰ্য্য নাছিল। চাৰ্টৰ দৰে, দুখন হাত থাকে, সন্মুখৰ ফালে খোলা মেলা কৰিবলৈ বুটামৰ সলনি এলানি হুক থাকে। তেতিয়া বৰঞ্চ চাৰ্টতহে বক্ৰম লগোৱা ক'লাৰ, বুকুত দুটা জেপ, বুটামৰ বাবে এচটা পটি, চাৰ্টৰ কাপোৰৰ লগত মিলাই প্লাষ্টিকৰ বুটাম ইত্যাদি বিভিন্ন কাৰু-কাৰ্য্য আছিল! পিছে, সংসাৰত সকলোবোৰ সদায়ে একেদৰে নচলে! অসমৰ পৰা বাহিৰলৈ ওলাইয়ে ভাৰতবৰ্ষৰ পশ্চিমমূৰলৈ আহি দুদিনমানৰ ভিতৰতে মন কৰিলোঁ, পশ্চিমৰ মহিলাৰ ব্লাউজৰ পিছফালে ৰচি দুডাল বান্ধি থোৱা থাকে। প্ৰথমে দেখি ভাবিছিলোঁ, গুজৰাটী মহিলাই শাৰীৰ আঁচলটো আমাৰ ফালৰ মহিলাৰ দৰে পিঠিৰ ফাললৈ চাটি মাৰি নথয়। বৰঞ্চ, আঁচলটো পিঠিফালৰ পৰা আনি, সন্মুখৰ ফালেহে জাপি-কুচি পিন্ধে। গতিকে তেনেকুৱা গ'তেৰে শাৰি পিন্ধিলে পিঠিফালে খোৰোচা মৰাকৈ ব্লাউজ পিন্ধা প্ৰয়োজন আছে! পিছে দুদিনমানতে মোৰ ভ্ৰম ভাগিল! সেইটো ব্লাউজৰ নতুন ডিজাইন হে চলিছিল। অতি সোনকালেই আমাৰ পিঠিফালে শাৰীৰ আঁচল লোৱা মহিলাবোৰেও পিঠিত খোৰোচা বান্ধি বান্ধি ব্লাউজ পিন্ধি বিয়া-বাৰু বোৰলৈ যাবলৈ আৰম্ভ কৰিলে।

ইতিমধ্যে আমাৰ ছোৱালীজনী কলেজত পঢ়িবলৈ বুলি ঘৰৰ পৰা আঁতৰৰ চহৰলৈ গ'ল গৈ বাবে, পৰিবাৰৰ দোকান যোৱাৰ লগ নোহোৱা হ'ল! ফলস্বৰূপে পৰিবাৰে ব্লাউজ চিলোৱাবলৈ দৰ্জীৰ ওচৰলৈ গ'লে, ময়ো 'যাওঁতে দোলাভাৰী যোৱাদি' লগতে গৈ, দৰ্জী দোকানৰ বাৰাণ্ডাখনতে টুল এখনত বহি বাধ্য ল'ৰাৰ নিচিনাকৈ বোন্দাপৰ দি থাকিবলগীয়া হৈছিল। তেতিয়াই বুজিছিলোঁ, ইতিমধ্যে শাৰীবোৰে ভাৰতীয় মহিলাৰ আভূষণৰ তালিকাৰ পৰা 'বিদায় পাওঁ পাওঁ' যেনকৈ কথমপিহে তিষ্ঠি আছে যদিও, ব্লাউজে পিছে ন ন ৰেহৰূপেৰে মহিলা সমাজত বিপ্লৱ আনিছে। তেতিয়াই মহিলা, দৰ্জী আৰু ব্লাউজৰ আলোচনা শুনি বুজিছিলোঁ, 'ব্লাউজৰ দৰ্জী হোৱাটো, সমূলি মুখৰ কথা নহয়'! সৃষ্টিশীলতা, ধৈৰ্য্য আৰু ঐকান্তিকতাৰ এক সংমিশ্ৰণ দৰ্জীসকলৰ আচাৰ আচৰণত থকাটো নিতান্তই প্ৰয়োজন!

মুম্বাইলৈ অহাৰ পিছতো পৰিবাৰে কলিকতীয়া দৰ্জী এজনক এদিন বিচাৰি উলিয়ালে। লগে লগে ঘৰলৈ আহি যিদৰেহে ঘোষণা কৰিলেহি যেন, কলম্বাচে ৱেষ্ট ইণ্ডিজ পাই ভাৰতবৰ্ষ পাই গলোঁ বুলি ছাগে তেনেকৈয়ে স্ফূৰ্তি পাইছিল। কেইদিনমান দৰ্জীজন আমাৰ ঘৰলৈ আহি পৰিবাৰৰ

লগত ব্লাউজৰ ডিজাইন লৈ যিমানহে গুৰু-গম্ভীৰকৈ আলোচনা হয়, মইতো শুনিয়ে বিচূৰ্তি খাওঁ। পৰিবাৰ ইঞ্জিনীয়াৰিঙ বিভাগৰ কৰ্মী বাবেই চাগে, পোনেই কাগজ, কলম, জোখ-মাপৰ ফিটা, ব্লাউজৰ চিত্ৰ আদি তৰহে তৰহে যা-যোগাৰেৰে দৰ্জীজনক ভেবা-চেকা খোৱাই দিয়ে। মই মাত্ৰ প্ৰভুক খাটোঁ, "মই লাগিলে আগৰ জনমলৈ নেখাই মৰিম, তথাপিও মোক কোনো জনমতে ব্লাউজৰ দৰ্জী নকৰিবা প্ৰভু!

মাজতে এই দৰ্জীজনে দুদিনমান ফোন নধৰা হ'ল। পৰিবাৰে মোকেই দৰ্জীজনক, 'গুমচোদা তালাচ কেন্দ্ৰ' যেনকৈ বিচাৰি আনিবলৈ কৈ চাইছিল। পিছে, মোৰ ভেকাহিত যেনিবা তাপ মাৰিলে। ভালেমান দিনৰ মূৰত এদিন দৰ্জীজনে নিজেই ফোন কৰিলে। পৰিবাৰে 'হেৰুৱা মুকুতা' বিচাৰি পোৱা যেনকৈ মনটোতে আনন্দ পাই, আঠে-বেঠে দৰ্জীজনক মাতি পঠিয়ালে। দৰ্জীজন আহি পোৱাৰ পিছত যেনিবা মেয়ো বাহিৰত গহীনকৈ থাকিলোঁ যদিও মনতে কিন্তু বহুতখিনি সকাহ পোৱাদি পালোঁ। পৰিবাৰে সোধাৰ আগতেই মইয়ে তেওঁৰ স্বাস্থ্যপাতিৰ খা-খবৰ লৈ গম পালোঁ, 'তেওঁৰ সকলো ভালেই। মাত্ৰ কলকতালৈ মাক-বাপেকৰ ওচৰলৈহে গৈছিল'।

মই দীঘলীয়া উশাহ এটা লৈ সুধিলোঁ, "তুমিনো তেনে ফোন ধৰা নাছিলা কিয়?"

তেওঁ ক'লে, "সেইবোৰ বহুত কথা! মোৰ ল'ৰাৰ মাকে মোক তেনেই জ্বলাকলা খোৱাই মাৰিছে। বহুত বুজাই বঢ়াই চালোঁ, কিন্তু কোনো লাভ নাই! কেতিয়াবা নিজৰেই ডিঙিত চিপজৰী মেৰিয়াই আপোনঘাটি হ'বলৈ মন যায়গৈ! ইফালে ল'ৰা-ছোৱালীও সৰু হৈ আছে! সেইকাৰণে মা-ববাক চোৱাৰ অ'চিলাৰে কলকতা পালোঁগৈ। তাতে 'কালি সাধক' এজনৰ পৰা তবিজ এটা আনিলোঁগৈ!"

কথাষাৰ শুনি মোৰ হাঁহিও উঠিছিল যদিও, তেওঁৰ মুখখনলৈ চাই নেহাঁহিলো।

দিনটোত কিচিম কিচিম ব্লাউজৰ ডিজাইন আৰু তেনেকৈ কিচিম কিচিম মহিলা গ্ৰাহকৰ লগত শীতল মগজুৰে কথা-বতৰা পাতিও নেভাগৰা এই মানুহজনে ঘৈণীয়েকৰ পৰা জ্বলাকলা খাই আপোনঘাটী হবলৈ চিন্তা কৰিব পৰা, আকৌ ঘৈণীয়েকক বশ কৰিব পৰাকৈ তাবিজ আনিব পৰাকৈ চিন্তা কৰিব লগীয়া এই দৰ্জীৰ ঘৈণীয়েকজনী স্বভাৱত বাৰু কিমান জয়াল তিৰোতা হ'ব লাগিব!

বহুত দীঘলীয়া বিৰতিৰ পিছত আজি প্ৰথমবাৰ দৰ্জীজন আমাৰ ঘৰলৈ আহিছিল। পৰিবাৰৰ লগত ব্লাউজৰ কথা-বতৰা শেষ কৰাৰ পিছত মই সুধিলোঁ, "তোমাৰ তাবিজটোৱে কাম দিছেগৈনে?"

তেওঁ গভীৰ উশাহ এটাৰে ক'লে, "আজকাল বিবি ব'হত সুধৰ গিয়া! ঘৰম্যেঁ আভী বহ'ত শান্তি হ্যে!"

তাবিজৰ যশতেই হওক বা স্বামী-স্ত্ৰীৰ নিজৰ বুজা-বুজিতেই হওক, তেওঁলোকৰ সংসাৰখনত সুখ শান্তি ভৰি পৰক! লগতে পাঠক সকললৈ অনুৰোধ, মই পিছে তাবিজৰ একো ঠিকনা নেজানোঁ। কোনো বিবাহিত পুৰুষ পাঠকে মোক তাবিজৰ ঠিকনা বিচাৰি আমনি নকৰিব দেই। মোৰ নিজৰ সংসাৰখন বিনা তাবিজেৰেই ঠিকেই চলি আছে।

ই-মেইল: hazarika.arman@gmail.com